যদি জনসাধাৰণৰ লক্ষ্য, আশা আৰু আকাংক্ষাৰ পৰা আঁতৰি আহে, তেন্তে ই এক শূন্যত পৰিণত হ'ব ...।" প্ৰকৃতাৰ্থত, ভাৰতীয় সংবিধানে জনসাধাৰণৰ আশা-আকাংক্ষা প্ৰতিফলিত কৰিবৰ বাবে সকলো ব্যৱস্থা হাতত লৈছে।

## ভাৰতীয় সংবিধানত সন্নিবিষ্ট মৌলিক অধিকাৰ (Fundamental Rights in Indian Constitution)

**অৰ্থ আৰু আৱশ্যকতা (Meaning and Importance):** আধুনিক গণতান্ত্ৰিক শাসন ব্যৱস্থাত নাগৰিক অধিকাৰে উল্লেখযোগ্য প্ৰভাৱ বিস্তাৰ কৰিছে। এখন দেশে কেনেধৰণৰ অধিকাৰ নাগৰিকক প্ৰদান কৰিছে তাৰ পৰাই দেশখনৰ শাসন ব্যৱস্থাৰ বিষয়ে এক সম্যক ধাৰণা কৰিব পাৰি। নাগৰিকৰ আধ্যাত্মিক আৰু মানসিক বিকাশৰ বাবে যে কিছুমান মৌলিক অধিকাৰৰ প্ৰয়োজন সেই কথা ৰাজনীতিবিদসকলে একে মুখে স্বীকাৰ কৰিছে। এখন গণতান্ত্ৰিক দেশত নাগৰিকসকলৰ মতৰ দ্বাৰাই চৰকাৰ গঠন হয় আৰু চৰকাৰী কাম-কাজ পৰিচালিত হয়। সেয়েহে যদি নাগৰিকসকলৰ মনৰ ভাৱ মুক্তভাৱে প্ৰকাশ কৰাৰ অধিকাৰ নাথাকে তেন্তে গণতান্ত্ৰিক শাসন ব্যৱস্থা কেতিয়াও কৃতকাৰ্য্য হ'ব নোৱাৰে। এখন দেশৰ নাগৰিকসকলে ভোগ কৰি অহা অধিকাৰসমূহৰ ভিতৰত কিছুমান অধিকাৰক 'মৌলিক' আখ্যা দিয়া হৈছে। কাৰণ, এই অধিকাৰসমূহ সুখী আৰু সভ্য জীৱন যাপন কৰিবৰ বাবে অপৰিহাৰ্য্য বুলি গোটেই বিশ্বই স্বীকাৰ কৰি লৈছে।

মৌলিক অধিকাৰসমূহ সংবিধানত সন্নিবিষ্ট কৰা আমেৰিকাই পৃথিৱীৰ ভিতৰত প্ৰথম দেশ। প্ৰথম মহাসমৰৰ পাছত অৱশ্যে কিছুমান মৌলিক অধিকাৰ সংবিধানত অৰ্ন্তভুক্ত কৰাটো নিয়মীয়া হৈ পৰিল। ইংলেণ্ডৰ সংবিধানখন অলিখিত হোৱা হেতুকে যুক্তৰাষ্ট্ৰ বা অন্যান্য দেশবিলাকৰ নিচিনাকৈ মৌলিক অধিকাৰৰ কোনো উল্লেখ নাই। কিন্তু সেইবুলি ইংলেণ্ডত নাগৰিক সকলৰ মৌলিক অধিকাৰক স্বীকৃতি দিয়া নাই বুলি কলে ভুল হ'ব। কাৰণ, ইংলেণ্ডৰ পৰম্পৰা অনুসৰি এজন নাগৰিকৰ কাম-কাজে যেতিয়ালৈকে দেশৰ প্ৰচলিত আইন উলঙঘা নকৰে তেতিয়ালৈকে তেওঁ নিজৰ ইচ্ছা বা ৰুচি অনুসৰি যি কোনো কাম কৰি যোৱাৰ অধিকাৰ আছে। সেই দেশত ন্যায়ালয়ৰ সিদ্ধান্তৰ যোগেদি নিৰ্দিষ্ট বিচাৰৰ দ্বাৰা ব্যক্তি স্বাধীনতা ৰক্ষা কৰা হয়। ইংলেণ্ডত বিচাৰবিভাগ যদিও ব্যক্তি স্বাধীনতাৰ অভিভাৱক স্বৰূপ তথাপিও অন্য দেশবিলাকৰ লগত ইয়াৰ পাৰ্থক্য আছে। কাৰণ ইংলেণ্ডত আদালতবিলাকৰ শাসন বিভাগৰ স্বেচ্ছাচাৰিতাৰ দিশৰ পৰাহে ব্যক্তি-স্বাধীনতা ৰক্ষা কৰাৰ অধিকাৰ আছে— আইন বিভাগৰ আক্ৰমণৰ পৰা এনে অধিকাৰ ৰক্ষা কৰিব পৰা ক্ষমতা নাই। চমুকৈ ক'বলৈ হ'লে ইংলেণ্ডত আইন সভাৰ কাৰ্যকলাপক দমন কৰিব পৰা কোনো মৌলিক অধিকাৰ নাগৰিকৰ নাই। ইংলেণ্ডৰ আইন সভাখন সৰ্বশক্তিমান আৰু সেয়ে এনে কোনো আইন বা নিয়ম-নীতি নাই যিবিলাক আইন সভাই সংশোধন কৰিব নোৱাৰে। গতিকে এইটো ক'ব পৰা যায় যে ইংলেণ্ডত ব্যক্তিৰ স্বাধীনতা আছে যদিও এইবিলাক দেশৰ সাধাৰণ আইনৰ ওপৰত ভিত্তি কৰি গঢ়ি উঠা ধৰণৰহে। সেয়ে ব্ৰিটিছ সংসদে অন্যান্য আইনৰ দৰে এই আইনবিলাকো পৰ্য্যালোচনা কৰি সহজে সংশোধন কৰিব পাৰে। আদালতৰ এইক্ষেত্ৰত মাত মাতিব পৰা ক্ষমতা নাই বা অসাংবিধনিক বুলি ক'ব নোৱাৰে। গতিকে ইয়াৰ পৰা এইটো স্পষ্ট যে ইংলেণ্ডত এনে কোনো স্বাধীনতা বা অধিকাৰ নাই যিবিলাকক প্ৰকৃত অৰ্থত মৌলিক অধিকাৰ বুলি ক'ব পৰা যায়।

ব্যক্তি স্বাধীনতাৰ ক্ষেত্ৰতো ইংলেণ্ড আৰু আমেৰিকাৰ মাজত এটা বিশেষ পাৰ্থক্য দেখা যায়। সেইটো হ'ল ইংলেণ্ডবাসীয়ে শাসন বিভাগৰ স্বেচ্ছাচাৰীতাৰ পৰা ব্যক্তি স্বাধীনতা ৰক্ষা কৰিবলৈ বেচি আগ্ৰহ দেখুৱাইছিল;

খণ্ডত সন্নিবিষ্ট কৰা মৌলিক অধিকাৰ সমূহক সংবিধানে এক উৎকৃষ্ট স্থান দিছে আৰু সেয়ে সংসদকে ধৰি সংবিধানৰ অধীনত কৰ্তব্য পালন কৰা কোনো সংগঠনৰে ৩৬৮ নং অনুচ্ছেদ অনুসৰি মৌলিক অধিকাৰসমূহৰ সংশোধন ঘটোৱাৰ কোনো কতৃত্ব নাই। কিন্তু ১৯৭১ চনৰ সংবিধানৰ ২৪ তম সংশোধনীৰ জৰিয়তে সংসদে এই বাধাকো ওফৰাই পেলালে। সেইদৰে ৪২ তম সংশোধনীৰ দ্বাৰা উচ্চতম ন্যায়ালয়ৰ ক্ষমতা আৰু সীমিত কৰা হ'ল।

**মৌলিক অধিকাৰৰ বৈশিষ্ট্য (Characteristics of Fundamental Rights):** আমাৰ সংবিধানত উল্লেখ কৰা মৌলিক অধিকাৰসমূহৰ বহুতো বৈশিষ্ট্য দেখা যায়। সেইবোৰ হ'ল—

**(১) বাদযোগ্য অধিকাৰ (Justiciable Rights):** এই মৌলিক অধিকাৰসমূহ আদালতৰ দ্বাৰা বলবৎ কৰাৰ ব্যৱস্থা আছে। অৰ্থাৎ কোনো ব্যক্তি, অনুষ্ঠান নাইবা চৰকাৰৰ কোনো সংস্থাই মৌলিক অধিকাৰৰ ওপৰত হস্তক্ষেপ কৰিলে নাগৰিকে আদালতৰ সহায় ল'ব পাৰে। সেয়েহে ন্যায়ালয়ক মৌলিক অধিকাৰৰ ৰক্ষক বুলি ক'ব পৰা যায়। অৱশ্যে জৰুৰীকালীন অৱস্থাত নাগৰিকক এই অধিকাৰৰ পৰা বঞ্চিত কৰিব পাৰে।

**(২) মৌলিক অধিকাৰৰ ব্যাপকতা (Comprehensiveness):** আমাৰ সংবিধানে মৌলিক অধিকাৰৰ ক্ষেত্ৰত যেনেদৰে বহল ব্যাখ্যা কৰিছে তেনে ব্যাখ্যা আন দেশৰ সংবিধানত কৰা হোৱা নাই। আমাৰ সংবিধানৰ তৃতীয় অধ্যায়ত ১২ নং অনুচ্ছেদৰ পৰা ৩৫ নং অনুচ্ছেদলৈকে মৌলিক অধিকাৰৰ বিষয়ে বৰ্ণনা কৰা হৈছে। ইয়াত মুঠ ৭ বিধ মৌলিক অধিকাৰ সামৰি লোৱা হৈছিল যদিও সংবিধানৰ ১৯৭৮ চনৰ ৪৪ তম সংবিধান সংশোধনীৰ জৰিয়তে সম্পত্তিৰ অধিকাৰ কৰ্তন কৰাত বৰ্তমান ৬ বিধ মৌলিক অধিকাৰ আছে।

**(৩) মৌলিক অধিকাৰসমূহ চৰম নহয় (Not Absolute):** মৌলিক অধিকাৰসমূহ অবাধ আৰু নিৰঙ্কুশ নহয়। কাৰণ সংবিধানে এহাতেদি যেনেকৈ নাগৰিকক এই অধিকাৰসমূহ প্ৰদান কৰিছে আৰু অন্যহাতেদি এইবিলাক সংকোচিত কৰাৰ ব্যৱস্থাও আছে। অৰ্থাৎ প্ৰয়োজনবোধ কৰিলে ৰাষ্ট্ৰই নিজৰ স্বাৰ্থত এই অধিকাৰৰ ওপৰত বাধা-নিষেধ আৰোপ কৰিব পাৰে। দেশত যিকোনো ধৰণৰ জৰুৰীকালীন অৱস্থাৰ সৃষ্টি হ'লে বা আইন শৃংখলা পৰিস্থিতিৰ উদ্ভৱ হ'লে ৰাষ্ট্ৰই এই অধিকাৰসমূহ ভোগ কৰাত নাগৰিকৰ ওপৰত বাধা আৰোপ কৰিব পাৰে। এনে অৱস্থাত ন্যায়ালয়ে এই অধিকাৰসমূহ ভোগ কৰাত নাগৰিকক সহায় কৰিব নোৱাৰে।

**(৪) মৌলিক অধিকাৰসমূহ কেৱল নাগৰিকেহে ভোগ কৰিব পাৰেঃ** ভাৰতীয় সংবিধানৰ মৌলিক অধিকাৰৰ আন এটা বৈশিষ্ট্য হৈছে ইয়াত উল্লেখ কৰা কিছুমান অধিকাৰ কেৱল নাগৰিক সকলেহে ভোগ কৰিব পাৰে আৰু কিছুমান দেশী বা বিদেশী সকলোৱে ভোগ কৰিব পাৰে। উদাহৰস্বৰূপে— ১৯ নং অনুচ্ছেদৰ স্বাধীনতাৰ অধিকাৰে সামৰা ৭ বিধ অধিকাৰ কেৱল দেশৰ নাগৰিক সকলেহে ভোগ কৰিব পাৰে। কিন্তু অন্যহাতেদি ২৫ নং আৰু ২৬ নং অনুচ্ছেদত উল্লেখ কৰা ধৰ্মীয় অধিকাৰ ভাৰতবৰ্ষত বসবাস কৰা সকলোলোকেই ভোগ কৰিব পাৰে।

**(৫) মৌলিক অধিকাৰসমূহ নেতিবাচক আৰু ইতিবাচক (Negative and Positive Rights):** আমাৰ সংবিধানত উল্লেখ কৰা কিছুমান অধিকাৰ নেতিবাচক আৰু কিছুমান ইতিবাচক। উদাহৰণস্বৰূপে সমতাৰ অধিকাৰৰ অন্তৰ্গত ১৪ নং আৰু ১৫ নং (২) অনুচ্ছেদৰ অধিকাৰবিলাক নেতিবাচক হিচাবে উল্লেখ আছে। অৰ্থাৎ ৰাষ্ট্ৰৰ কাৰ্যৰ ওপৰত বাধা-নিষেধ আৰোপ কৰি ব্যক্তিক স্বাধীনতা ভোগ কৰাত সহায় কৰিছে। অন্যহাতেদি, ২৫ নং আৰু ২৬ নং অনুচ্ছেদৰ ধৰ্মীয় অধিকাৰ আৰু ২৩ নং অনুচ্ছেদৰ শোষণৰ বিৰুদ্ধে অধিকাৰক ইতিবাচক

হিচাবে উল্লেখ কৰা আছে। অৰ্থাৎ এই অধিকাৰসমূহে নাগৰিকক প্ৰত্যক্ষ আৰু সুস্পষ্টকৈ সুযোগ সুবিধা অৰ্পণ কৰিছে।

**(৬) অধিকাৰৰ ওপৰত বাধা নিষেধঃ** মৌলিক অধিকাৰসমূহৰ ওপৰত কি বাধা আৰোপ কৰিব পাৰি সেই বিষয়ে সংবিধানত বিতংভাৱে উল্লেখ কৰা হৈছে। গতিকে, আমেৰিকাৰ আদালতৰ দৰে ভাৰতৰ আদালতে এই অধিকাৰসমূহৰ ওপৰত নতুনকৈ বাধা আৰোপ কৰাৰ অৱকাশ নাই।

**(৭) সংশোধনযোগ্য (Amendable):** মৌলিক অধিকাৰসমূহৰ সংশোধন ঘটাব পৰা যায়; কিন্তু এইবিলাক একেবাৰে শেষ কৰিব পৰা নাযায়।এনে কৰিলে সংবিধানৰ মৌলিক গাঁঠনিত আঘাত হনা হ'ব। মৌলিক অধিকাৰ সংশোধন কৰিব পাৰি নে নোৱাৰি এই সম্পৰ্কে সাংবিধানিক পণ্ডিত সকলৰ মাজত মতভেদ দেখা যায়। কিছুমান সাংবিধানিক পণ্ডিতৰ মতে, মৌলিক অধিকাৰ সংশোধন কৰিব পাৰি আৰু আন কিছুমানৰ মতে, মৌলিক অধিকাৰ সংশোধন কৰিব নোৱাৰি। ১৯৫১ চনৰ 'শংকৰী প্ৰসাদ বনাম ভাৰত চৰকাৰ' গোচৰৰ ৰায়দানৰ পৰা ১৯৬৭ চনৰ 'গোলক নাথ বনাম পঞ্জাব' বিচাৰৰ (Golak Nath Case) ৰায়দানৰ সময়লৈকে মৌলিক অধিকাৰ সংসদৰ দ্বাৰা সংশোধনযোগ্য আছিল। কিন্তু গোলক নাথ গোচৰৰ বিচাৰত উচ্চতম ন্যায়ালয়ে মৌলিক অধিকাৰ সংশোধনযোগ্য নহয় বুলি একেবাৰে বিপৰীত ৰায়দান কৰে। গোচৰৰ ৰায়দানত উচ্চতম ন্যায়ালয়ে সংসদে মৌলিক অধিকাৰ সংশোধন কৰিব নোৱাৰে বুলি স্পষ্ট অভিমত প্ৰকাশ কৰে। সংবিধানৰ ১৩ (২) নং অনুচ্ছেদ অনুসৰি মৌলিক অধিকাৰ বিৰোধী আইন বাতিল হৈ যাব আৰু ১৩ (২) নং অনুচ্ছেদত উল্লেখিত 'আইন' বুলি ক'লে সংসদে প্ৰণয়ন কৰা আইনৰ নিচিনাকৈ সংশোধনী আইনকো বুজাব।

**(৮) শিশুসকলৰ শিক্ষা গ্ৰহণৰ অধিকাৰ (Right to Education of Children):** ভাৰতৰ শিশুসকলক বাধ্যতামূলক শিক্ষা প্ৰদান কৰিবলৈ ভাৰতৰ সংসদে ব্যৱস্থা গ্ৰহণ কৰিছে। সংবিধানৰ ৮৬ নং সংশোধনৰ জৰিয়তে অনুচ্ছেদ ২১ (ক) সংযোজন কৰা হৈছে। ইয়াৰ দ্বাৰাই ৬ৰ পৰা ১৪ বছৰৰ শিশুসকলৰ বাবে বাধ্যতামূলক আৰু বিনামূলীয়া শিক্ষাৰ অধিকাৰ প্ৰদান কৰা হৈছে।

**(৯) সামৰিক বাহিনীৰ ক্ষেত্ৰত মৌলিক অধিকাৰ (Fundamental Rights regarding Armed Forces):** ভাৰতৰ সংবিধানৰ ৩৩ নং অনুচ্ছেদত সৈন্যবাহিনী আৰু আইন শৃংখলা নিয়ন্ত্ৰণত নিয়োজিত সামৰিক বাহিনীৰ ক্ষেত্ৰত আইন নিৰ্ধাৰণ কৰিবলৈ সংসদক দায়িত্ব অৰ্পণ কৰা হৈছে। কিছুমান মৌলিক অধিকাৰ ভোগ কৰাৰ পৰা সামৰিক বাহিনীক বিৰত ৰখা হৈছে। কোনবিলাক মৌলিক অধিকাৰ ভোগ কৰাৰ পৰা তেওঁলোকক বিৰত ৰখা হ'ব সেই বিষয়ত সিদ্ধান্ত ল'বলৈ সংসদৰ হাতত কৰ্তৃত্ব অৰ্পণ কৰা হৈছে।

**(১০) দেশত বা বিদেশত থকা নাগৰিকৰ বাবে মৌলিক অধিকাৰ (Fundamental Rights for those living in India or outside India):** মেনকা গান্ধী গোচৰত উচ্চতম ন্যায়ালয়ে এক ঐতিহাসিক ৰায় দিছিল। এই ৰায় অনুসৰি মৌলিক অধিকাৰসমূহ ভাৰতত থকা নাগৰিকে যেনেকৈ উপভোগ কৰিব পাৰিব তেনেকৈ বিদেশত থকা ভাৰতীয়সকলে উপভোগ কৰিব পাৰিব।

**(১১) সমাজৰ পিচপৰা লোকক সুৰক্ষা (Protection to the Weaker Sections of the Society):** মৌলিক অধিকাৰে জাতি-বৰ্ণ নিৰ্বিশেষে সকলো লোককে সমান সুবিধা প্ৰদানৰ আশ্বাস দিছে। অৱশ্যে কিছু ক্ষেত্ৰত ইয়াৰ ব্যতিক্ৰম। উদাহৰণস্বৰূপে— সংবিধানৰ ১৪ নং আৰু ১৫ নং অনুচ্ছেদ অনুসৰি ৰাষ্ট্ৰই কোনো ব্যক্তিকে ধৰ্ম, ভাষা, গোষ্ঠী, জাতি আদিৰ ভিত্তিত ভেদাভেদ কৰিব নোৱাৰে। কিন্তু সেই একে

অনুচ্ছেদৰ পিছৰফালে কোৱা হৈছে, ৰাষ্ট্ৰই নাৰী আৰু শিশু তথা সমাজৰ অন্যান্য পিছপৰা সম্প্ৰদায়, অনুসূচীত জাতি, জনজাতি আদি লোকৰ কাৰণে ৰাষ্ট্ৰই বিশেষ ব্যৱস্থা হাতত ল'ব পাৰে। সেই মৰ্মে চৰকাৰী নিয়োগ আদিৰ ক্ষেত্ৰত সংৰক্ষণৰ (Reservation) ব্যৱস্থা কৰা হৈছে। তদুপৰি কোনো ব্যক্তিক চৰকাৰী আইনৰ অধীনত আটক কৰিলে ২৪ ঘণ্টাৰ ভিতৰত আদালতত হাজিৰ কৰোৱাৰ ব্যৱস্থা আছে যদিও নিবাৰক নিৰোধৰ নিচিনা আইনৰ জৰিয়তে অধিক সময়ৰ কাৰণে নাগৰিকক আটক কৰিব পৰাৰ ব্যৱস্থাও আছে।

**(১২) জৰুৰীকালীন ব্যৱস্থা আৰু মৌলিক অধিকাৰ (Emergency Provisions and Fundamental Rights):** কিছুমান বিশেষ পৰিস্থিতিত দেশৰ শাসনভাৰ মোকাবিলা কৰিবৰ কাৰণে সংবিধানে জৰুৰীকালীন ব্যৱস্থাৰ অন্তৰ্ভুক্ত কৰিছে। এই জৰুৰীকালীন ব্যৱস্থাৰ যোগেদি কেন্দ্ৰীয় চৰকাৰে কিছুমান বিশেষ ক্ষমতা লাভ কৰে। এই সময়ছোৱাত কেন্দ্ৰীয় চৰকাৰৰ ক্ষমতাও কোনেও প্ৰত্যাহ্বান জনাব নোৱাৰে। জৰুৰীকালীন অৱস্থা থকা সময়ছোৱাত ১৯ নং অনুচ্ছেদত থকা স্বাধীনতাৰ অধিকাৰ বাতিল হৈ যায়। প্ৰয়োজন হ'লে ৰাষ্ট্ৰপতিয়ে ন্যায়ালয়ৰ ক্ষমতাও তুলি ল'ব পাৰে। ফলশ্ৰুতিত কোনো নাগৰিকে নিজৰ অধিকাৰৰ ৰক্ষণাবেক্ষণৰ কাৰণে ন্যায়ালয়ৰ ওচৰ চাপিব নোৱাৰে। জৰুৰীকালীন অৱস্থা বাহাল থকালৈকে নাগৰিকে সকলোবিলাক মৌলিক অধিকাৰ ভোগ কৰিব নোৱাৰে।

**(১৩) কাৰ্যপালিকা আৰু বিধানমণ্ডলৰ ক্ষমতা সংকুচিত কৰিছে (Fundamental Rights impose restrictions on Executive and Legislature):** কিছুমান মৌলিক অধিকাৰে কাৰ্য্যপালিকাৰ ক্ষমতাৰ ওপৰত আৰু কিছুমানে বিধানমণ্ডলৰ ক্ষমতাৰ ওপৰত বাধা-নিষেধ আৰোপ কৰিছে। সংবিধানৰ তৃতীয় অধ্যায়ৰ ২১ নং অনুচ্ছেদ অনুসৰি চৰকাৰ বা ৰাষ্ট্ৰই বে-আইনীভাৱে কোনো ব্যক্তিৰ জীৱন আৰু সম্পত্তি বঞ্চিত কৰিব নোৱাৰে। সেইদৰে ২৪ নং অনুচ্ছেদে আইন সভাৰ ক্ষমতা সীমিত কৰিছে। উক্ত অনুচ্ছেদটিত উল্লেখ আছে যে ১৪ বছৰৰ অনুৰ্দ্ধৰ কোনো ল'ৰা-ছোৱালীকে কোনো বিপদজনক কামত নিয়োজিত কৰিব নোৱাৰিব।

**(১৪) মৌলিক অধিকাৰ সকলো ব্যক্তিক প্ৰদান কৰা হোৱা নাই (Fundamental Rights are not Granted to all Individuals):** দেশত বসবাস কৰা সকলো ব্যক্তি মাত্ৰেই এই মৌলিক অধিকাৰ ভোগ কৰিব নোৱাৰে। কিছুমান বিশেষ অধিকাৰ কেৱল ভাৰতীয় নাগৰিককহে প্ৰদান কৰা হৈছে আৰু আনবিলাক বিদেশী বা নাগৰিক সকলোকে প্ৰদান কৰা হৈছে—

(ক) সংবিধানৰ ১৫ নং অনুচ্ছেদ অনুসৰি ধৰ্ম, ভাষা, জাতি, গোষ্ঠী আদিৰ ভিত্তিত কাকো ভেদাভেদ কৰিব নোৱাৰা, সংবিধানৰ ১৬ নং অনুচ্ছেদ মতে, ৰাজহুৱা নিয়োগক্ষেত্ৰত সকলোকে সমান সুবিধা প্ৰদান কৰা, ১৯ নং অনুচ্ছেদৰ মতে, বাক্-স্বাধীনতা প্ৰদান কৰা আদি এই অধিকাৰসমূহ কেৱল ভাৰতীয় নাগৰিককহে প্ৰদান কৰা হৈছে।

(খ) সংবিধানৰ ১৪ নং অনুচ্ছেদ অনুসৰি আইনৰ চকুত সকলো সমান, আইনৰ দ্বাৰা সমান সুৰক্ষা, শোষণৰ বিৰুদ্ধে অধিকাৰ, ধৰ্মীয় অধিকাৰ, জীৱন আৰু সম্পত্তি সুৰক্ষাৰ অধিকাৰ আদি এই সকলোবিলাক অধিকাৰ বিদেশী বা নাগৰিক সকলোৱে ভোগ কৰে।

**(১৫) মৌলিক অধিকাৰ নকাৰাত্মক আৰু সকাৰাত্মক দুই ভাগে প্ৰকাশ পাইছে (Fundamental Rights are both Negatively and Positively Expressed):** মৌলিক অধিকাৰৰ এক গুৰুত্বপূৰ্ণ দিশ হৈছে যে ইয়াৰ নকাৰাত্মক (Negative) আৰু সকাৰাত্মক (Positive) এই দুয়োটা দিশ আছে।

উদাহৰণস্বৰূপে— ১৪ নং অনুচ্ছেদ অনুসৰি সকলো লোক আইনৰ দৃষ্টিত সমান। ই ধনী-দুখীয়া সকলো লোকক এই আইনৰ আইনৰ অধীনত সন্নিৱিষ্ট কৰিছে। ইয়াত উল্লেখ কৰা আছে যে ভাৰতবৰ্ষৰ চাৰিসীমাৰ ভিতৰত বাস কৰা কোনো লোককে আইনৰ দৃষ্টিত সমান ব্যৱহাৰ পোৱা নাই বা সমান ৰক্ষণাবেক্ষণৰ পৰা বঞ্চিত কৰিব নোৱাৰিব। গতিকে ই নকাৰাত্মক ভাৱে প্ৰকাশ পাইছে। অন্যহাতে, আইনৰ সমান ৰক্ষণাবেক্ষণ (Equal Protection of Law) সকাৰাত্মক ভাৱে প্ৰকাশ পাইছে। আইনে সকলো লোকক সমান ৰক্ষণাবেক্ষণ দিব আৰু আইনৰ দৃষ্টিত সমান ব্যৱহাৰ লাভ কৰিব এই দুয়োটা সকাৰাত্মকভাৱে প্ৰকাশ পাইছে।

তদুপৰি স্বাধীনতাৰ অধিকাৰ অন্তৰ্গত ২০, ২১ আৰু ২২ নং অনুচ্ছেদৰ কথা নকৰাত্মকভাৱে প্ৰকাশ কৰা আছে। অন্যহাতে, ধৰ্মীয় অধিকাৰ আৰু শোষণৰ বিৰুদ্ধে অধিকাৰ আদি সকাৰাত্মকভাৱে প্ৰকাশ পাইছে।


**(১৬) আমেৰিকাৰ সংবিধানৰ আৰ্হিত নিৰ্মিত (Based on American Model):** মৌলিক অধিকাৰৰ মূল আদৰ্শ আমেৰিকাৰ সংবিধানৰ পৰা লোৱা হৈছে। আমেৰিকাৰ সংবিধানৰ আৰ্হিত উচ্চতম আৰু উচ্চন্যায়ালয়ে কাৰ্য্যপালিকাই ৰচনা কৰা আইন প্ৰয়োজন হ'লে অসাংবিধানিক বুলি ঘোষণা কৰিব পাৰে। তদুপৰি ৰাষ্ট্ৰই মৌলিক অধিকাৰ ভংগ কৰা কোনো আইন প্ৰৱৰ্তন কৰিব নোৱাৰে। অৱশ্যে এই কথা স্বীকাৰ কৰিব লাগিব যে ভাৰতীয় সংসদীয় গণতন্ত্ৰত সংসদে মৌলিক অধিকাৰ প্ৰয়োজন হ'লে সংশোধন কৰিব পাৰে।

**(১৭) সম্পত্তিৰ অধিকাৰক মৌলিক অধিকাৰৰ পৰা বাদ (Right to Property taken out Fundamental Rights):** জনতা চৰকাৰে ১৯৭৮ চনত ৪৪ তম সংবিধান সংশোধনীৰ জৰিয়তে সম্পত্তিৰ অধিকাৰক মৌলিক অধিকাৰৰ পৰা আঁতৰাই আনে আৰু এই অধিকাৰক অনুচ্ছেদ ৩০০'ক' ত সন্নিৱিষ্ট কৰা হয়। এই অধিকাৰ কাঢ়ি নিয়া তাৎপৰ্য এয়ে যে কাৰোবাৰ সম্পত্তি বেআইনীভাৱে কাঢ়ি ল'লেও ব্যক্তিজনে সংবিধানৰ ৩২ নং অনুচ্ছেদ অনুসৰি উচ্চতম ন্যায়ালয়ৰ কাষ চপাৰ অধিকাৰ নাই। এই সম্পত্তিৰ অধিকাৰ এতিয়া মাথো এক আইনগত অধিকাৰ।

**(১৮) ভাৰত চৰকাৰৰ কিছুমান বিষয়াই মৌলিক অধিকাৰ ভোগ কৰিব নোৱাৰে (Fundamental Rights may not to be Available to some Officers):** সামৰিক বাহিনীত নাইবা আৰক্ষী সেৱাত কৰ্মৰত বিষয়াই সকলোবিলাক মৌলিক অধিকাৰ কিছুমান পৰিস্থিতিত ভোগ কৰিব নোৱাৰে। সংবিধানৰ ৩৩ নং অনুচ্ছেদ অনুসৰি সংসদে ভোগ কৰিব নোৱাৰা মৌলিক অধিকাৰসমূহ নিৰ্দ্ধাৰণ কৰিব।

## ভাৰতীয় সংবিধানৰ মৌলিক অধিকাৰসমূহ
## (Fundamental Rights of Indian Constitution)

ভাৰতীয় সংবিধানৰ তৃতীয় অধ্যায় (Part-III)ৰ ১২ নং ৰ পৰা ৩৫ নং অনুচ্ছেদলৈ নাগৰিকৰ মৌলিক অধিকাৰৰ বিষয়ে লিপিবদ্ধ কৰা হৈছে। ১২ নং অনুচ্ছেদত তৃতীয় অধ্যায়ৰ বিভিন্ন অনুচ্ছেদত থকা 'ৰাষ্ট্ৰ' শব্দটোৰ সংজ্ঞা নিৰূপণ কৰিছে। ১৩ নং অনুচ্ছেদত আইনসভাৰ অবাঞ্চিত আক্ৰমণৰ পৰা নাগৰিকসকলৰ মৌলিক অধিকাৰ সমূহৰ সংৰক্ষণ ব্যৱস্থা কৰা হৈছে। আৰম্ভণিতে ভাৰতীয় সংবিধানত সাতবিধ মৌলিক অধিকাৰ আছিল। কিন্তু ১৯৭৮ চনৰ সংবিধানৰ ৪৪ তম সংশোধনী আইনৰ জৰিয়তে "সম্পত্তিৰ অধিকাৰক" (Right to Property) মৌলিক অধিকাৰৰ তালিকাৰ পৰা পৌৰ অধিকাৰৰ (Civil Rights) তালিকাত অন্তৰ্ভুক্ত কৰা হয়। বৰ্তমান মৌলিক অধিকাৰ হ'ল ছয় বিধ—




**(১) সমতাৰ অধিকাৰ (Right to Equality):** সমতাৰ অধিকাৰৰ বিষয়ে সংবিধানৰ ১৪ নং অনুচ্ছেদৰ পৰা ১৮ নং অনুচ্ছেদলৈকে উল্লেখ আছে। এই অধিকাৰৰ অধীনত মুঠ ৫ বিধ অধিকাৰ সামৰি লোৱা হৈছে। এই কেইবিধ হৈছে—

(১) আইনৰ সমতা, (১৪ নং অনুচ্ছেদ)

(২) বৈষম্যমূলক আচৰণৰ বিৰুদ্ধে অধিকাৰ, (১৫ নং অনুচ্ছেদ)

(৩) সম-সুবিধাৰ অধিকাৰ, (১৬ নং অনুচ্ছেদ)

(৪) অস্পৃশ্যতা নিবাৰণৰ অধিকাৰ (১৭ নং অনুচ্ছেদ) আৰু

(৫) উপাধি প্ৰদান নিবাৰণৰ অধিকাৰ (১৮ নং অনুচ্ছেদ)।

১৪ নং অনুচ্ছেদে নাগৰিক আৰু বিদেশী সকলোকে আইনৰ সম-সুৰক্ষা প্ৰদান কৰিছে। ইয়াত উল্লেখ কৰা হৈছে যে ভাৰতবৰ্ষৰ চাৰিসীমাৰ ভিতৰত কোনো মানুহকে আইনৰ দৃষ্টিত সমতা আৰু আইনৰ দ্বাৰা সমান সুৰক্ষা নিদিয়াকৈ থাকিব নোৱাৰে। অৰ্থাৎ আইনৰ চকুত সকলো নাগৰিকেই সমান আৰু আৰু সকলো নাগৰিকে আইনৰ সমান সুবিধা ভোগ কৰিব। এই অনুচ্ছেদে "আইনৰ দৃষ্টিত সমতা" আৰু "আইনৰ সমান ৰক্ষণাবেক্ষণ" এই দুয়োটা কথাৰ ওপৰত বিশেষ গুৰুত্ব দিছে। দুয়োটা কথা একে যেন লাগিলেও দুয়োটাই বেলেগ বেলেগ অৰ্থ প্ৰকাশ কৰে। 'আইনৰ দৃষ্টিত সমান ব্যৱহাৰ' ব্ৰিটিছ সাংবিধানিক ব্যৱস্থাৰ অনুকৰণ বুলিব পাৰি। এই ধাৰণাটো ডাইচিৰ (Dicey)ৰ আইনৰ অনুশাসনৰ পৰা লোৱা হৈছে। ইয়াৰ অৰ্থ হৈছে যে কোনো ব্যক্তি আইনৰ উৰ্দ্ধত নহয়। এজন ব্যক্তিৰ পদ মৰ্য্যাদা বা স্থান যিয়েই নহওক, সকলো লোককে একে ধৰণৰ আইন আৰু আদালতৰ জৰিয়তে বিচাৰ কৰা হয়। প্ৰধানমন্ত্ৰীৰ পৰা এজন সাধাৰণ খেতিয়কলৈকে সকলো আইনৰ চকুত সমান। সকলো লোকক আইনৰ চকুত সমান কৰাৰ একমাত্ৰ অৰ্থ হৈছে ভাৰতীয় লোকৰ মাজত সমতা প্ৰতিষ্ঠা কৰা।

আইনৰ দৃষ্টিত সকলো সমান এই কথাষাৰ অনুসৰণ কৰিলেও ইংলেণ্ডৰ দৰে দেশবিলাকত ব্যতিক্ৰম আছে। ঠিক সেইদৰে ভাৰতবৰ্ষতো তলত উল্লেখ কৰা ধৰণে কিছুমান ব্যতিক্ৰম আছে—

(ক) ৰাষ্ট্ৰপতি আৰু ৰাজ্যপালে তেওঁলোকৰ সাংবিধানিক ক্ষমতা প্ৰয়োগ কৰোঁতে কোনো আদালতত জবাব দিব নালাগে।

আদি পুৰস্কাৰ সমূহে সামাজিক সমতা ব্যাহত কৰিছে বুলি বিভিন্ন সময়ত সমালোচনা হৈছে।

ওপৰত উল্লেখ কৰা অধিকাৰসমূহৰ মুখ্য উদ্দেশ্য হৈছে সমতাৰ নিশ্চয়তা প্ৰদান কৰা। প্ৰকৃত অৰ্থত, সমতা লাভ কৰিবলৈ হ'লে অৰ্থনৈতিক সমতাৰ সুযোগ লাভ কৰিব লাগিব। কিন্তু উপৰোক্ত অধিকাৰসমূহৰ এটাও অৰ্থনৈতিক সমতা লাভ কৰাৰ ক্ষেত্ৰত প্ৰযোজ্য নহয়। কাৰণ কাম কৰাৰ অধিকাৰ, উপযুক্ত পৰিমাণৰ নিম্নতম দৰ্মহা আদিৰ বিষয়ে ইয়াত কোনো উল্লেখ নাই। সেয়ে ভাৰতত এতিয়াও ধনী আৰু দুখীয়াৰ মাজৰ ব্যৱধান প্ৰকট ৰূপত প্ৰতিফলিত হোৱা দেখা যায়। গতিকে ক'ব পৰা যায় যে যেতিয়ালৈকে নিম্নতম আৱশ্যকীয় মজুৰী আৰু কাম কৰাৰ অধিকাৰক নিশ্চিত কৰা নাযায় তেতিয়ালৈকে ভাৰতৰ সমাজবাদী ৰাষ্ট্ৰৰ সপোন বাস্তৱত পৰিণত নহয়।

**(২) স্বাধীনতাৰ অধিকাৰ (Right to Freedom):** আমাৰ সংবিধানে প্ৰদান কৰা আন এটা মৌলিক অধিকাৰ হৈছে স্বাধীনতাৰ অধিকাৰ। সংবিধানৰ ১৯ নং অনুচ্ছেদৰ পৰা ২২ নং অনুচ্ছেদলৈকে এই অধিকাৰক সামৰি লৈছে। এই সকলো বিলাকৰ ভিতৰত আটাইতকৈ গুৰুত্বপূৰ্ণ হৈছে ১৯ নং অনুচ্ছেদত অন্তৰ্ভুক্ত কৰা ছয়টা (আগেয়ে সাতোটা) অধিকাৰ। সম্পত্তি কিনিব বা বিক্ৰী কৰিব পৰা এই অধিকাৰটো ১৯৭৮ চনত ৪৪তম সংবিধান সংশোধনীৰ জৰিয়তে বাদ দিয়া হয়। এই ছয়টা অধিকাৰ হৈছে—

(ক) বাক-স্বাধীনতা আৰু মত প্ৰকাশৰ অধিকাৰ।
(খ) অস্ত্ৰ-বিহীন অৱস্থাত শান্তিপূৰ্ণভাবে সমবেত হোৱাৰ অধিকাৰ।
(গ) সংস্থা বা ইউনিয়ন গঠন কৰাৰ অধিকাৰ।
(ঘ) ভাৰতবৰ্ষৰ চাৰিসীমাৰ কেউকাষে ঘুৰাৰ অধিকাৰ।
(ঙ) ভাৰতবৰ্ষৰ যি কোনো ঠাইত বসবাস কৰাৰ অধিকাৰ ।
(চ) যি কোনো চাকৰি নাইবা ব্যৱসায় কৰাৰ অধিকাৰ।

**এই অধিকাৰসমূহৰ ওপৰত আৰোপ কৰা যুক্তিসংগত বাধা (Reasonable Restriction on Six Freedoms):** ১৯ নং অনুচ্ছেদৰ অধীনত অন্তৰ্ভুক্ত কৰা এই ছয়টা অধিকাৰে মৌলিক অধিকাৰৰ ভিতৰত আটাইতকৈ গুৰুত্বপূৰ্ণ অধিকাৰ বুলি ক'ব পাৰি। এই অধিকাৰ বিলাকে এখন গণতান্ত্ৰিক ৰাষ্ট্ৰই প্ৰদান কৰা সকলো সা-সুবিধাকে প্ৰকট কৰি দেখুৱাইছে। অৱশ্যে কোনো আধুনিক জনকল্যাণকামী ৰাষ্ট্ৰই সম্পূৰ্ণ ব্যক্তি-স্বাধীনতা প্ৰদান কৰিব নোৱাৰে। সেয়েহে স্বাধীনতাৰ এই অধিকাৰসমূহ চৰম নহয়। চৰকাৰে এই অধিকাৰ ভোগ কৰাৰ ক্ষেত্ৰত কিছুমান বাধা আৰোপ কৰিব পাৰে—

(ক) যদি বাক-স্বাধীনতা আৰু মত-প্ৰকাশৰ স্বাধীনতাই আনৰ যশস্যা হানি কৰিলে, আদালতক অৱমাননা কৰিলে, ৰাষ্ট্ৰৰ নিৰাপত্তা বিপদাপন্ন কৰিলে, বিদেশী ৰাষ্ট্ৰৰ লগত থকা মধুৰ সম্পৰ্ক ব্যাহত হ'লে, সামাজিক শৃংখলাত বাধা পৰিলে, ৰাষ্ট্ৰৰ সংহতি তথা সাৰ্বভৌমত্ব বিপদাপন্ন হোৱাৰ সম্ভাৱনা থাকিলে বাধা-নিষেধ আৰোপ কৰিব পৰা যায়।

(খ) অস্ত্ৰ-বিহীনভাৱে সমবেত হোৱাৰ অধিকাৰো চৰম নহয়। এনে সমবেতে যদি ৰাজহুৱা শৃংখলাত আঘাত হানে, তেন্তে এই অধিকাৰ ভোগ কৰা কাৰ্যত বাধা আৰোপ কৰিব পৰা যায়। অন্য অৰ্থত, এনে সমবেতকৰণে ৰাজহুৱা শৃংখলা নাইবা দেশৰ সাৰ্বভৌমত্বক বিপদাপন্ন কৰিব নালাগে।

লাগিব। সংসদে উপদেষ্টা পৰিষদক বিভিন্ন সময়ত দিহা-পৰামৰ্শ দিব পাৰে। এই নিবাৰক নিৰোধ আইনখন ১৯৫০ চনৰ পৰা ১৯৬৯ চনলৈকে কাৰ্যকৰী কৰা হৈছিল। এই আইনখন ৰদ কৰাৰ পাছত ১৯৭১ চনত একে উদ্দেশ্যরে পুনৰ এখন আইন প্ৰৱৰ্তন কৰা হ'ল। এই আইনখনৰ নাম দিয়া হৈছিল— আভ্যন্তৰীণ নিৰাপত্তা ৰক্ষা আইন (Maintenance of Internal Security Act) বা চমুকৈ এই আইনখনক মিছা (MISA) বুলি কোৱা হয়। সেইদৰে অৰ্থনৈতিক অপৰাধ ৰোধ কৰিবৰ বাবেও আইন প্ৰণয়ন কৰা হ'ল। এই আইন বিলাকৰ ব্যৱস্থাৱলী নিবাৰক নিৰোধ আইনতকৈও কঠোৰ ধৰণৰ বুলি ক'ব পাৰি। মিছা আইনত গ্ৰেপ্তাৰ কৰা লোকক কোনো কাৰণ দৰ্শাব নালাগে, অনিৰ্দিষ্ট কালৰ কাৰণে আটক কৰি ৰাখিব পাৰে আৰু আদালতত নিবেদন কৰাৰো ব্যৱস্থা নাছিল। ১৯৭৫-৭৬ চনৰ জৰুৰীকালীন সময়ছোৱাত এই আইন বিলাকৰ অপপ্ৰয়োগ কৰা হৈছিল। এই আইনৰ অধীনত কোনো বাচ-বিচাৰ নোহোৱাকৈ চৰকাৰৰ ৰাজনৈতিক প্ৰতিদ্বন্দ্বীকে ধৰি মুঠ প্ৰায় ১,৭৫,০০০ লোকক গ্ৰেপ্তাৰ কৰা হৈছিল। এনে ধৰণৰ ব্যৱস্থা আমেৰিকা, ইংলেণ্ড আদি কোনো গণতান্ত্ৰিক দেশতে নাই বুলি ক'ব পাৰি।

২২ নং অনুচ্ছেদত উল্লেখ আছে যে কোনো লোকক আটক কৰাৰ ২৪ ঘন্টাৰ ভিতৰত কোনো ন্যায়াধীশৰ ওচৰত হাজিৰ কৰিব লাগিব। নিবাৰক নিৰোধ (Prevntive Detention)ৰ দৰে ব্যৱস্থাৰ জৰিয়তে কিছুমান ব্যক্তিক সম্ভাব্য অপৰাধ কৰাৰ পৰা বিৰত ৰাখিব পৰা যায়।

**(৩) শোষণৰ বিৰুদ্ধে অধিকাৰ (Right against Exploitation):** এই অধিকাৰৰ জৰিয়তে সমাজৰ দুখীয়া আৰু দুৰ্বল শ্ৰেণীৰ লোকক যাতে কোনো ব্যক্তি বা ৰাষ্ট্ৰই শোষণ কৰিব নোৱাৰে তাৰ ব্যৱস্থা কৰা হৈছে। ২৩ নং অনুচ্ছেদে মানুহক লৈ ব্যৱসায় কৰা, বিনা পৰিশ্ৰমিকে কাম আদায় কৰা, জোৰ জুলুম কৰি পৰিশ্ৰম কৰিবলৈ বাধ্য কৰোৱা আদি নিষিদ্ধ কৰিছে। অৱশ্যে জাতি, ধৰ্ম, বৰ্ণ আৰু শ্ৰেণীৰ বৈষম্য নৰখাকৈ দেশৰ স্বাৰ্থৰ খাতিৰত কিছুমান বাধ্যতামূলক কাম কৰাবৰ বাবে ৰাষ্ট্ৰক এই অনুচ্ছেদে বাধা আৰোপ কৰা নাই। ২৪ নং অনুচ্ছেদে ১৪ বছৰৰ তলৰ ল'ৰা-ছোৱালীক কল-কাৰখানা, খনি আদিত কাম কৰাতো নিষিদ্ধ কৰিছে।

**(৪) ধৰ্মীয় স্বাধীনতাৰ অধিকাৰ (Right to Freedom of Religion):** সংবিধানৰ ২৫ নং অনুচ্ছেদৰ পৰা ২৮ নং অনুচ্ছেদলৈকে এই অধিকাৰৰ বিষয়ে বৰ্ণনা কৰা আছে।

২৫ নং অনুচ্ছেদ অনুসৰি ভাৰতবৰ্ষত বাস কৰা সকলো লোককে নিজৰ অভিৰুচিমতে যিকোনো ধৰ্ম গ্ৰহণ আৰু প্ৰচাৰ কৰাৰ অধিকাৰ দিছে। অৱশ্যে সামাজিক শৃঙ্খলা, সদাচাৰ, স্বাস্থ্য আদি কাৰণত চৰকাৰে এই অধিকাৰৰ ওপৰত বাধা আৰোপ কৰিব পাৰে।

২৬ নং অনুচ্ছেদে সকলো ধৰ্মৰ লোককে ধৰ্মীয় অনুষ্ঠান প্ৰতিষ্ঠা কৰা, স্থাৱৰ-অস্থাৱৰ সম্পত্তি অধিগ্ৰহণ কৰা আৰু বিধিমতে সেই সম্পত্তি ব্যৱহাৰ কৰিব পৰা অধিকাৰ দিছে।

২৭ নং অনুচ্ছেদে কোনো এটা বিশেষ ধৰ্মৰ প্ৰগতিৰ বাবে বা ধৰ্মীয় অনুষ্ঠান প্ৰতিষ্ঠা কৰা, মেৰামতি কৰা আদিৰ বাবে বলপূৰ্বক ভাৱে কৰ বা দান সংগ্ৰহ কৰাটো নিষিদ্ধ কৰিছে।

২৮ নং অনুচ্ছেদৰ দ্বাৰা চৰকাৰী পৃষ্ঠপোষকতাত গঢ়ি উঠা শিক্ষানুষ্ঠানত ধৰ্মীয় শিক্ষা দিয়াতো বন্ধ কৰা হৈছে। চৰকাৰী স্বীকৃতি প্ৰাপ্ত বা চৰকাৰী সাহায্য লাভ কৰা শিক্ষানুষ্ঠানত ধৰ্মীয় শিক্ষাদানৰ ব্যৱস্থা আছে যদিও সেই অনুষ্ঠানৰ ছাত্ৰ-ছাত্ৰী বা অভিভাৱকৰ সন্মতি অবিহনে জোৰ কৰি ধৰ্মীয় শিক্ষা দিয়াটো বন্ধ কৰা হৈছে।

ওপৰৰ ব্যৱস্থাসমূহৰ পৰা ভাৰতবৰ্ষই নিজকে এখন ধৰ্ম-নিৰপেক্ষ ৰাষ্ট্ৰ হিচাপে প্ৰতিষ্ঠা কৰিবলৈ সক্ষম হৈছে বুলি কব পাৰি। ধৰ্ম-নিৰপেক্ষতা প্ৰগতিশীল দেশ এখনৰ বাবে অতি আৱশ্যক। ভাৰতবৰ্ষৰ দৰে দেশএখনত বসবাস কৰা বিভিন্ন ধৰ্মগোষ্ঠীৰ লোক বিশেষকৈ ধৰ্মীয় সংখ্যালঘু সকলৰ মনত বিশ্বাস অব্যাহত ৰাখিবৰ বাবে ধৰ্মনিৰপেক্ষ নীতি মানি চলাতো অতি আৱশ্যক।

**(৫) সাংস্কৃতিক আৰু শিক্ষা বিষয়ক অধিকাৰ (Cultural and Educational Rights):** সংবিধানৰ ২৯ নং আৰু ৩০ নং অনুচ্ছেদৰ জৰিয়তে ভাৰতীয় নাগৰিকসকলক এই অধিকাৰ প্ৰদান কৰা হৈছে।

২৯ নং অনুচ্ছেদে সকলো শ্ৰেণীৰ নাগৰিককে নিজৰ ভাষা, লিপি আৰু সংস্কৃতি জীয়াই ৰখাৰ অধিকাৰ দিছে। চৰকাৰী ধন বা অনুদানেৰে প্ৰতিষ্ঠা কৰা শিক্ষানুষ্ঠানত জাতি, ধৰ্ম, বৰ্ণ, ভাষা নিৰ্বিশেষে সকলো ছাত্ৰ-ছাত্ৰীকে ভৰ্তি হোৱাৰ সুযোগ দিছে। ২৯ নং অনুচ্ছেদৰ ১ নং দফাই কৈছে যে এটা সম্প্ৰদায়ক নিজস্ব সংস্কৃতিৰ বাহিৰে বেলেগ ভাষা সংস্কৃতি ৰাষ্ট্ৰই জাপি নিদিয়ে। ১৯৫১ চনৰ প্ৰথম সংবিধান সংশোধনীৰ জৰিয়তে অৱশ্যে অনুসূচীত জাতি, অনুসূচীত জনজাতিকে ধৰি অন্যান্য অনুন্নত আৰু পিছপৰা শ্ৰেণীৰ লোকৰ ক্ষেত্ৰত বিশেষ ব্যৱস্থা গ্ৰহণ কৰিবলৈ চৰকাৰক কতৃত্ব দিছে।

৩০ নং অনুচ্ছেদে ধৰ্মীয় বা ভাষিক সংখ্যালঘু সম্প্ৰদায়ৰ লোকক নিজৰ ৰুচি অনুসৰি শিক্ষানুষ্ঠান প্ৰতিষ্ঠা কৰাৰ অধিকাৰ দিছে। শিক্ষানুষ্ঠানৰ বেলিকা চৰকাৰে বৈষম্যমূলক আচৰণ কৰিব নোৱাৰিব। এই অধিকাৰৰ যোগেদি ভাৰতবৰ্ষত বাস কৰা বিভিন্ন জাতি, উপজাতি, ধৰ্মীয় লোক, সম্প্ৰদায় আদিক নিজৰ ভাষা-সংস্কৃতি জীয়াই ৰখাৰ ব্যৱস্থা কৰা হৈছে।

**(৬) সাংবিধানিক প্ৰতিকাৰৰ অধিকাৰ (Right to Constitutional Remedies):** সংবিধানত কিছুমান অধিকাৰ সন্নিবিষ্ট কৰিলেই যথেষ্ট নহয়। এই অধিকাৰ সমূহ যদি সুৰক্ষিত কৰা নহয় তেন্তে এইবিলাকৰ পৰা নাগৰিকসকল কোনো ধৰণে উপকৃত নহয়। সেয়েহে নাগৰিকসকলে যাতে এই অধিকাৰসমূহ ভোগ কৰিব পাৰে তাৰ ব্যৱস্থা আমাৰ সংবিধানত কৰিছে। সংবিধানৰ ৩২ নং অনুচ্ছেদে এই মৌলিক অধিকাৰসমূহৰ সুৰক্ষাৰ ব্যৱস্থা কৰিছে। ডঃ বি. আৰ. আম্বেদকাৰে সংবিধানৰ এই ৩২ নং অনুচ্ছেদক **সংবিধানৰ অন্তৰ আৰু আত্মা** বুলি আখ্যা দিছে। সংবিধানত তলত উল্লেখ কৰা ব্যৱস্থাসমূহৰ দ্বাৰা মৌলিক অধিকাৰসমূহ বলবৎ কৰাৰ ব্যৱস্থা কৰিছে —

(ক) কাৰ্য-নিৰ্বাহিক বা আইনসভাৰ কোনো কামে যদি মৌলিক অধিকাৰ খৰ্ব কৰে তেন্তে তেনে কাৰ্যক আদালতে বে-আইনী বুলি ঘোষণা কৰিব পাৰে। ৪২ তম সংবিধান সংশোধনীয়ে অৱশ্যে আইনসভাক যিকোনো ধৰণৰ সংশোধনী ঘটোৱাৰ ক্ষমতা দিছে। এই সংশোধনী অনুসৰি নিৰ্দেশাত্মক নীতিসমূহ কাৰ্যকৰী কৰাৰ বাবে প্ৰণয়ন কৰা কোনো আইনে সংবিধানৰ ১৪, ১৯ আৰু ৩১ নং অনুচ্ছেদে প্ৰদান কৰা মৌলিক অধিকাৰসমূহ লংঘন কৰা বুলি আদালতে অবৈধ ঘোষণা কৰিব নোৱাৰিব।

(খ) মৌলিক অধিকাৰ লংঘন কৰিব পৰা আইনক অবৈধ বুলি ঘোষণা কৰিব পৰা ক্ষমতাৰ উপৰিও ন্যায়ালয়ক এইবিলাক ৰক্ষা কৰিব পৰা কিছুমান উপায় সংবিধানে দিছে। ৩২ নং আৰু ২২৬ নং অনুচ্ছেদৰ জৰিয়তে নাগৰিকসকলে অধিকাৰ ৰক্ষাৰ কাৰণে আদালতৰ ওচৰ চাপিব পাৰে। আদালতে মৌলিক অধিকাৰৰ ৰক্ষাৰ কাৰণে কিছুমান আদেশ (Writ) জাৰি কৰিব পাৰে।

ন্যায়ালয়ে নিম্নোক্ত পৰোৱানাসমূহ জাৰি কৰি নাগৰিকৰ অধিকাৰসমূহ ৰক্ষা কৰিব পাৰে—

**(১) বন্দী উপস্থাপন সমাদেশ (Habeas Corpus)** অনুসৰি কোনো লোকক বে-আইনীভাৱে আটক কৰিলে তেনেলোকক আদালতত হাজিৰ কৰাৰ ব্যৱস্থা কৰিব পাৰে। বন্দী দোষী প্ৰমাণিত নহ'লে ন্যায়ালয়ে খালাচ দিব পাৰে।

**(২) পৰমাধিদেশ (Mandamus)** অনুসৰি কোনো ব্যক্তি বা কতৃপক্ষই ৰাজহুৱা স্বাৰ্থত কোনো দায়িত্ব পালন কৰিবলৈ অমান্তি হ'লে আদালতে তেনে ব্যক্তিক বা কৰ্তৃপক্ষক নিজৰ দায়িত্ব পালন কৰিবলৈ বাধ্য কৰাব পাৰে।

**(৩) নিষেধাজ্ঞা (Prohibition)**ৰ জৰিয়তে কোনো কৰ্তৃপক্ষৰ অধিকাৰৰ ভিতৰত নপৰা কাম কৰাত আদালতে বাধা প্ৰদান কৰিব পাৰে।

**(৪) কৈফিয়ৎ তলবী (Quo-Warranto)** ব্যৱস্থা অনুসৰি বৈধভাৱে নিযুক্ত নোহোৱা কোনো লোকক গোচৰৰ মীমাংসা নোহোৱালৈকে কামৰ পৰা বিৰত ৰাখিব পাৰে।

**(৫) উৎপ্ৰেষণ (Certiorari)** ব্যৱস্থাৰ জৰিয়তে নিম্ন আদালতত বিচাৰাধীন গোচৰ উচ্চ আদালতলৈ প্ৰেৰণ কৰিবলৈ পৰোৱানা জাৰি কৰিব পাৰে।

উপৰোক্ত বিধিসমূহৰ পৰা বিচাৰ কৰিলে ন্যায়ালয়ক নাগৰিক অধিকাৰৰ ৰক্ষক বুলি ক'ব পাৰি।

**মৌলিক অধিকাৰৰ ওপৰত বাধা নিষেধ (Limitations on Fundamental Rights):** ভাৰতীয় সংবিধানে নাগৰিকৰ বাবে কিছুমান মৌলিক অধিকাৰ প্ৰদান কৰিছে যদিও এই অধিকাৰবিলাক অবাধ বুলি কব নোৱাৰি। মৌলিক অধিকাৰৰ ওপৰত সময়ে সময়ে বাতিলকৰণ বা বিভিন্ন সময়ত বাধা-নিষেধো আৰোপ কৰি পৰা যায়—

(১) সশস্ত্ৰ বাহিনী বা আইন প্ৰশাসনৰ দায়িত্বত থকা লোকসকলক পৰিচালনা কৰিবৰ বাবে সংসদে মৌলিক অধিকাৰৰ সংশোধন কৰিব পাৰে।

(২) সামৰিক আইন অঞ্চল বিশেষে প্ৰয়োগ হ'লে মৌলিক অধিকাৰ খৰ্ব হয়।

(৩) দেশত জৰুৰীকালীন অৱস্থা বাহাল থাকিলে, কিছুমান মৌলিক অধিকাৰ বিশেষকৈ ১৯ নং অনুচ্ছেদৰ অধিকাৰসূমহ বাতিল হৈ যায়। কিন্তু ২০ আৰু ২১ নং অনুচ্ছেদৰ অধিকাৰসমূহ ভংগ কৰিব নোৱাৰি।

(৪) মৌলিক অধিকাৰে সমতাৰ অধিকাৰ প্ৰদান কৰিছে যদিও এই কথা অনস্বীকাৰ্য যে চৰকাৰী প্ৰতিনিধি তথা বিশেষ শ্ৰেণীৰ লোকৰ বাবে সদায় বেলেগ ব্যৱস্থা কৰিব পাৰে।

(৫) প্ৰত্যেকটো মৌলিক অধিকাৰৰ বিপৰীতে এটা বাধা আৰোপ কৰা হৈছে বুলি ক'লেও বঢ়াই কোৱা নহয়।

(৬) সংবিধান সংশোধনীৰ জৰিয়তে সংসদে সময়ে সময়ে মৌলিক অধিকাৰৰ সংশোধন কৰি আহিছে। উদাহৰণ হিচাবে সম্পত্তিৰ অধিকাৰ প্ৰথমতে এক মৌলিক অধিকাৰ আছিল যদিও বৰ্তমান এক আইনগত অধিকাৰহে।